**[ভাৰতৰ উচ্চতম আদালতত (হায়দৰাবাদ)]**

নৰহাৰী আৰু অন্যান্য

বনাম

শংকৰ আৰু অন্যান্য

[ সন্মানীয় ন্যায়াধীশ মেহৰ চন্দ মহাজন, আৰ এছ নাইক আৰু খালিলুজ্জামানৰ বিচাৰপীঠ]

*ৰেচ জুডিকেটা* (এক আইনী নীতি যিয়ে এটা গোচৰৰ চূড়ান্ত ৰায়দান হোৱাৰ পিছত একে পক্ষৰ মাজত পুনৰ সেই গোচৰটো চলোৱাত বাধা দিয়ে) – একেটা মামলাৰ পৰা উদ্ভৱ হোৱা কেইবাটাও আপীল – একেটা ৰায়ৰ দ্বাৰা আপীল নিষ্পত্তি কৰা – পৃথক পৃথক ডিক্ৰী তৈয়াৰ কৰা – কেৱল এটা ডিক্ৰীৰ পৰা আপীল – গ্ৰহণযোগ্যতা – *ৰেচ জুডিকেটা* – ভাৰতীয় পৰিসীমা আইন, ১৯০৮ৰ ধাৰা নং ৫ – সময় বৃদ্ধি – পৰ্যাপ্ত কাৰণ – সিদ্ধান্তসমূহৰ সংঘাত।

“ক”ই এটা সম্পত্তিৰ দুই তৃতীয়াংশৰ দখল বিচাৰি এটা মামলা দাখিল কৰিছিল “খ” আৰু “গ”ৰ বিৰুদ্ধে যি দুজনে উক্ত সম্পত্তিৰ এক তৃতীয়াংশ অংশীদাৰিত্ব দাবী কৰিছিল। বিচাৰ আদালতে এই মামলাত ডিক্ৰী জাৰি কৰিছিল। “খ” আৰু “গ” ই দুটা পৃথক পৃথক আপীল দাখিল কৰিছিল। এই আপীলসমূহ একেলগে শুনানি গ্ৰহণ কৰি একেটা ৰায়দানৰ দ্বাৰা নিষ্পত্তি কৰা হৈছিল যদিও পৃথক পৃথক ডিক্ৰী প্ৰস্তুত কৰা হৈছিল। “ক”ই এই ডিক্ৰীসমূহৰ এটাৰ বিৰুদ্ধে সময়মতে সম্পূৰ্ণ আদালত মাচুল দি আপীল দাখিল কৰিছিল আৰু পিছলৈ অনুমোদিত আইনী সময়সীমা শেষ হোৱাৰ পিছত আনটো ডিক্ৰীটোৰ বিৰুদ্ধেও কেৱল ১ টকা আদালতৰ

মাচুল জমা দি আপীল দাখিল কৰিছিল । উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে “ক”ই অনুমোদিত আইনী সময়সীমাৰ ভিতৰত পৃথক পৃথক আপীলবোৰ দাখিল কৰিব লাগিছিল, আৰু যিহেতু ইয়াৰে এটা আপীল দাখিল কৰাৰ আইনী সময়সীমা অতিক্ৰম কৰিছিল, সেয়েহে আদালতে প্ৰথম আপীলটোক *ৰেছ জুডিকেটা*ৰ দ্বাৰা নিষিদ্ধ বুলি গণ্য কৰিছিল।

এইটো ৰায় দিয়া হয় যে, যিহেতু মাত্ৰ এটা মামলা আছিল আৰু একেটা ৰায়দানৰ দ্বাৰা আপীলসমূহ নিষ্পত্তি কৰা হৈছিল, সেয়েহে দুটা পৃথক আপীল দাখিল কৰাৰ প্ৰয়োজন নাছিল আৰু এটা আপীল দাখিল কৰাৰ অনুমোদিত আইনী সময়সীমা অতিক্ৰম কৰিলেও ই আন এটা আপীলৰ গ্ৰহণযোগ্যতাত কোনো প্ৰভাৱ নেপেলায় আৰু *ৰেচ জুডিকেটা*ৰ প্ৰশ্নটো গোচৰটোত একেবাৰেই উত্থাপন নহয়।

ইয়াৰ উপৰিও এইটো ৰায় দিয়া হয় যে, উক্ত পৰিস্থিতিত উচ্চ ন্যায়ালয়ে আপীলকাৰীক পৰিসীমা আইনৰ ধাৰা নং ৫ৰ সুবিধা নিদিয়াটো ভুল আছিল কাৰণ বিষয়টোৰ ওপৰত প্ৰদান কৰা বিভিন্ন ৰায়দানৰ সংঘাত আছে। এই ক্ষেত্ৰত **মিষ্ট. লাচমি বনাম মিষ্ট. ভূলি (এ.আই.আৰ. ১৯২৭ লব. ২৮৯)**গোচৰত দিয়া ৰায় প্ৰয়োগ কৰা হৈছে। **আপ্পা বনাম কচাই বায়্যান কুট্টি (এ.আই.আৰ. ১৯৩২ মেড. ৬৮৯)** গোচৰৰ ৰায়ত উল্লেখ কৰা হৈছে।

সংবিধানৰ ৩৭৪(৪) অনুচ্ছেদৰ অধীনত হায়দৰাবাদ উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ বিৰুদ্ধে আপীল:

**আপীল নং ২২ আৰু ২৩/১৯৫০**

আপীলকাৰীসকলক গুলাম আহমদ খানে প্ৰতিনিধিত্ব কৰিছে।

প্ৰতিপক্ষসকলক কোনোৱে প্ৰতিনিধিত্ব কৰা নাই।

১৩ অক্টোবৰ, ১৯৫০। আদালতৰ ৰায়দান কৰে–

**ন্যায়াধীশ নাইক–** ২১৪ নং জৰীপে সামৰি লোৱা মাটিৰ দুই তৃতীয়াংশ দখলৰ লগতে মেছনে প্ৰোফিট(কোনো স্থাৱৰ সম্পত্তিৰ অন্যায়ভাৱে দখল কৰি থকা ব্যক্তিৰ পৰা আদায় কৰিব পৰা ক্ষতিপূৰণ) বিচাৰি দাখিল কৰা মামলাৰ পৰা এই আপীলসমূহ উদ্ভৱ হয়। বাদীসকলে এই ভিত্তিত দখল দাবী কৰে যে ২১৪ নং জৰীপে সামৰি লোৱা মাটি হ'ল ইনাম মাটি আৰু পৰিয়ালৰ প্ৰথা অনুসৰি, ছিনিয়ৰ লাইনৰ সদস্য হিচাপে এই মাটি কেৱল তেওঁলোকৰে হয় কিন্তু জুনিয়ৰ লাইনৰ বিবাদীসকলে ইয়াৰ বিৰোধীতা কৰে। বিবাদীসকলৰ দুটা গোট আছে– ১ৰ পৰা ৪ নং বিবাদীসকল উক্ত পৰিয়ালৰ এটা শাখাৰ আৰু ৫ৰ পৰা ৮ নং বিবাদীসকল আন এটা শাখাৰ। প্ৰতিটো গোটে দাবী কৰে যে এক তৃতীয়াংশ মাটিৰ ওপৰত তেওঁলোকৰ দখল আছে আৰু পৰিয়ালৰ সম্পত্তিৰ নিজৰ অংশ হিচাপে তেওঁলোক ইয়াৰ অধিকাৰী। বাদীসকলে দাবী কৰা ধৰণে উক্ত মাটি জ্যেষ্ঠ শাখাৰ একচেটিয়া দখলৰ প্ৰথাক তেওঁলোকে অস্বীকাৰ কৰে। বিচাৰ আদালতে এই মামলাৰ ডিক্ৰী জাৰি কৰিছিল। এই ডিক্ৰীৰ পৰা দুটা গোটৰ বিবাদীসকলে প্ৰত্যেকেই মাটিৰ এক তৃতীয়াংশ অংশ দাবী কৰি গুলবৰ্গাৰ সদৰ আদালতত দুটা পৃথক আপীল দাখিল কৰিছিল আৰু প্ৰত্যেকেই নিজৰ অংশৰ পৰিসৰলৈকে আদালতৰ মাচুল জমা দিছিল। প্ৰথমখন আপীল আদালত অৰ্থাৎ সদৰ আদালতে দুয়োটা আপীলৰ মঞ্জুৰ কৰিছিল আৰু ৩০ বহমান ১৩৩৮ এফ তাৰিখৰ এটা ৰায়দানৰ দ্বাৰা বাদীসকলৰ মামলা খাৰিজ কৰিছিল আৰু ৰায়দানৰ প্ৰতিলিপি আনটো সংযুক্ত আপীলৰ ফাইলত ৰখাৰ নিৰ্দেশ দিছিল।

এই ৰায়ৰ ভিত্তিত প্ৰথম আপীল আদালতে দুটা ডিক্ৰী প্ৰস্তুত কৰিছিল। বাদী সকলে উচ্চ ন্যায়ালয়ত দুটা আপীল দাখিল কৰিছিল। প্ৰথমটো আপীল ২৩ আবান ১৩৪৫ এফ তাৰিখত

দাখিল কৰা হৈছিল আৰু ইয়াৰ সৈতে ১ৰ পৰা ৪ নং বাদীসকলৰ আপীলত গৃহীত ডিক্ৰীটো সংলগ্ন কৰা হৈছিল। পিছলৈ ১৭ আজুৰ ১৩৪৬ এফ তাৰিখত আন এটা আপীল দাখিল কৰা হৈছিল আৰু তাৰ সৈতে ৫ৰ পৰা ৮ নং বাদীসকলৰ আপীলত গৃহীত হোৱা ডিক্ৰীটো সংলগ্ন কৰা হৈছিল। আপীল দাখিল কৰাৰ অনুমোদিত সময়সীমা উকলি যোৱাৰ ঊনত্ৰিশ দিন পিছত পিছৰ আপীলটো দাখিল কৰা হৈছিল। ইয়াক এক টকাৰ ডাকটিকট কাগজত দাখিল কৰা হৈছিল আৰু তাত এটা টোকা লিখা হৈছিল যে পূৰ্বে দাখিল কৰা আপীলত সম্পূৰ্ণ আদালতৰ মাচুল পৰিশোধ কৰা হৈছে, যিটো আপীল নং ৩৩১/১৩৪৬এফ হিচাপে পঞ্জীয়ন কৰা হৈছিল। আপীলৰ শুনানিৰ সময়ত বিবাদীসকলে এই বুলি প্ৰাথমিক আপত্তি উত্থাপন কৰিছিল যে যিহেতু দ্বিতীয়টো আপীল, অৰ্থাৎ আপীল নং ৩৩২/১৩৪৬ এফ অনুমোদিত সময়সীমা উকলি যোৱাৰ পিছত থাকিল কৰা কাৰণে ইয়াক বাহাল ৰাখিব নোৱাৰি আৰু যদি এইটো আপীল খাৰিজ কৰা হয়, তেন্তে প্ৰথম আপীল অৰ্থাৎ আপীল নং ৩৩১/১৩৪৬এফৰ ক্ষেত্ৰত *ৰেচ জুডিকেটা*ৰ নীতি প্ৰযোজ্য হ'ব আৰু ই বিফল হ'ব। উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে আইনী অনুমোদিত সময়সীমাৰ ভিতৰত বাদীসকলে দুটা পৃথক আপীল দাখিল কৰিব লাগিছিল আৰু যিহেতু দ্বিতীয়টো আপীল অনুমোদিত সময়সীমা উকলি যোৱাৰ পিছত দাখিল কৰা বুলি বিবেচনা কৰা হৈছে, সেয়েহে প্ৰথমটো আপীলও *ৰেছ জুডিকেটা*ৰ নীতি প্ৰয়োগৰ ফলত বিফল হৈছে। দুয়োটা আপীল উচ্চ ন্যায়ালয়ে খাৰিজ কৰে। উচ্চ ন্যায়ালয়ৰ এই ৰায়ৰ বিৰুদ্ধে ৰাজ্যখনৰ ন্যায়িক সমিতি (জুডিছিয়াল কমিটি অফ দ্যা স্টেট)ত দুটা আপীল দাখিল কৰা হয় আৰু সেইবোৰ এতিয়া সংবিধানৰ ৩৭৪(৪) অনুচ্ছেদৰ অধীনত আমাৰ সন্মুখত বিচাৰৰ বাবে উপস্থাপন কৰা হৈছে।

উচ্চ ন্যায়ালয়ে ৰায়দানত **জেঠমল বনাম ৰংলা** গোচৰত দিয়া সিদ্ধান্তৰ ওপৰত নির্ভৰ কৰিছিল। সেইটো *মানি স্যুট* (প্রাপ্য ধন আদায়ৰ বাবে তৰা গোচৰ) গোচৰ আছিল যত বাদীজনৰ দাবী আংশিকভাৱে ডিক্রী কৰা হৈছিল আৰু এই ৰায়দানৰ বিৰুদ্ধে দুয়োপক্ষই আপীল কৰিছিল– বাদীয়ে মামলা খাৰিজ হোৱাৰ বিৰুদ্ধে আৰু বিবাদীয়ে মামলাৰ ডিক্রী জাৰি হোৱাৰ বিৰুদ্ধে অপীল কৰিছিল। প্ৰথমখন আপীল আদালতে বাদীজনৰ মামলা সম্পূৰ্ণৰূপে খাৰিজ কৰিছিল আৰু বিবাদীৰ আপীলটো মঞ্জুৰ কৰিছিল আৰু বাদীজনৰ আপীল খাৰিজ কৰি দুটা পৃথক ডিক্রী জাৰি কৰিছিল। বাদীজনে তেওঁৰ বিৰুদ্ধে জাৰি কৰা কেৱল এটা ডিক্ৰীৰ বিৰুদ্ধেহে আপীল কৰিছিল আৰু উক্ত আপীলত এই ৰায় দিয়া হৈছিল যে এই ক্ষেত্ৰত *ৰেছ জুডিকেটা*ৰ নীতি প্ৰযোজ্য হ'ব।

ৰাজ্যখনৰ ন্যায়িক সমিতিৰ এই ৰায়দানৰ পিছতো উচ্চ ন্যায়ালয়ে **নন্দলাল বনাম মহিউদ্দিন আলী খান, নিজামুদ্দিন বনাম চতুৰ ভুজ, গয়াজী পন্ত বনাম হাবিবুদ্দিন, আৰু জগন্নাথ বনাম সোণাজী** আদি কেইবাটাও গোচৰত ৰায় দিছে যে যেতিয়া মামলা এটা হয় আৰু একেটা মামলাৰ পৰা দুটা আপীলৰ সৃষ্টি হয় তেতিয়া দুটা পৃথক আপীল দাখিল কৰাটো প্ৰয়োজনীয় নহয়।

উচ্চ ন্যায়ালয়ৰ ৰায়দানত যদিও এই সিদ্ধান্তসমূহৰ কিছুমানৰ উল্লেখ কৰা হৈছে, তথাপিও মাত্র এই বুলি উল্লেখ কৰা হৈছে যে আপীলকাৰীয়ে এই সিদ্ধান্তসমূহৰ ওপৰত নির্ভৰ কৰিছে। বিদ্বান ন্যায়াধীশ সকলে হয়তো ভাবিছিল যে **জেঠমাল বনাম ৰংলাল** গোচৰত হায়দৰাবাদ ন্যায়িক সমিতিৰ সিদ্ধান্তৰ উপস্থিতিত তেওঁলোকে এই সিদ্ধান্তসমূহৰ ওপৰত একেবাৰেই মন্তব্য কৰাৰ প্ৰয়োজন নাই। ৰাজ্যখনৰ ন্যায়িক সমিতিৰ পৰৱৰ্তী সিদ্ধান্তও **বনচিলাল বনাম মোহনলাল** গোচৰত দিয়া হৈছে, য'ত লাহোৰ উচ্চ ন্যায়ালয়ে **মিষ্ট. লাচমি বনাম মিষ্ট.**

**ভূলি** গোচৰত দিয়া ৰায় অনুসৰণ কৰা হৈছে। লাহোৰৰ গোচৰত একেটা বিষয়ক লৈ দুটা পৰিপন্থী মামলা( ক্ৰছ ছুট) একে পক্ষগণৰ মাজত দাখিল কৰা হৈছিল, আনহাতে বৰ্তমানৰ গোচৰটোত মাত্ৰ এটা মামলা আছিল আৰু বিচাৰ আদালতে এটা ৰায় দিছিল আৰু আনকি সদৰ আদালাতত দাখিল কৰা প্ৰথম আপীলতো এটা ৰায়দান কৰা হৈছিল যদিও দুটা গোটৰ বিবাদীগণে দুটা আপীল দাখিল কৰিছিল।

উষ্চ ন্যায়ালয়ত কৰা আবেদনত বাদীসকলে সকলো বিবাদীগণক প্ৰতিপক্ষ হিচাপে সাঙুৰি লৈছে আৰু তেওঁলোকৰ প্ৰাৰ্থনাই দুয়োটা আপীলকে সামৰি লৈছে আৰু তেওঁলোকে গোটেই মামলাটোৰ বাবে একত্ৰিত আদালত-মাচুল জমা দিছে। এতিয়া এইটো ভালদৰে নিৰ্ণয় কৰা হৈছে যে য'ত এটা বিচাৰ, এটা ফলাফল আৰু এটাই সিদ্ধান্ত হৈছে, তাত দুটা আপীল কৰাৰ প্ৰয়োজন নাই যদিও দুটা ডিক্ৰী তৈয়াৰ কৰা হ'ব পাৰে ।

ওপৰত উল্লেখ কৰা **মিষ্ট. লাচমি বনাম মিষ্ট.ভূলি** গোচৰত ন্যায়াধীশ টেক চান্দে তেওঁৰ বিদ্বান ৰায়ত লক্ষ্য কৰা অনুসৰি নিৰ্ণায়ক কাৰক ডিক্ৰীটো নহয় বৰঞ্চ বিতৰ্কিত বিষয়টোহে। পিছত তেওঁৰ ৰায়ত উল্লেখ কৰাৰ দৰে *এষ্টপেল*( এনে এক আইনী নীতি যিয়ে কোনো ব্যক্তিক তেওঁৰ পূৰ্বৰ কাৰ্য্য বা বক্তব্যৰ সৈতে সংঘাতপূৰ্ণ দাবী বা অধিকাৰ দাবী কৰাত বাধা দিয়ে) ডিক্ৰীৰ দ্বাৰা সৃষ্টি নহয় কিন্তু ৰায়ৰ দ্বাৰাহে সৃষ্টি হ'ব পাৰে। *ৰেচ জুডিকেটা* ৰ প্ৰশ্নটো তেতিয়াহে উত্থাপন হয় যেতিয়া দুটা মামলা হয়। দুটা মামলা হ'লেও একেলগে দিয়া সিদ্ধান্ত পূৰ্বৰ মামলাত সিদ্ধান্ত হ'ব নোৱাৰে বুলি ধৰা হৈছে। যেতিয়া মাত্ৰ এটা মামলা থাকে, তেতিয়া *ৰেচ জুডিকেটা*ৰ প্ৰশ্নটো একেবাৰেই উত্থাপন নহয় আৰু বৰ্তমানৰ গোচৰটোত দুয়োটা ডিক্ৰী একেটা গোচৰতে আৰু একেটা ৰায়দানৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে আৰু সিদ্ধান্ত লোৱা বিষয়টো সমগ্ৰ মামলাটোৰ সৈতে জড়িত। সেই হিচাপে *ৰেচ জুডিকেটা*ৰ নীতি প্ৰয়োগৰ কোনো

প্ৰশ্নই উত্থাপন নহয়। একেটা ৰায়দান কেৱল ইয়াৰ বিৰুদ্ধে বেলেগ নম্বৰেৰে আপীল কৰা হৈছিল বা তাৰ কপি বেলেগ আপীলৰ সৈতে সংলগ্ন কৰা হৈছিল বুলিয়েই কাৰ্যকৰী হৈ থাকিব নোৱাৰে। দুটা ডিক্ৰী মূঠতে একেই। ইয়াৰ উপৰিও উচ্চ ন্যায়ালয়ে আপীলকাৰীসকলক পৰিসীমা আইনৰ ৫ নং ধাৰাৰ সুবিধা নিদিয়াটো ভুল হৈছিল কাৰণ এই প্ৰশ্ন সন্দৰ্ভত কেৱল ৰাজ্যখনৰ উচ্চ ন্যায়ালয়তে নহয় ভাৰতৰ বিভিন্ন উচ্চ ন্যায়ালয়ৰ মাজতো সিদ্ধান্তসমূহৰ মাজত সংঘাত আছে।

আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাই তেওঁৰ যুক্তিৰ সমৰ্থনত **আপ্পা বনাম কাচাই বায়্যান কুট্টি** গোচৰত দিয়া সিদ্ধান্তটো উল্লেখ কৰে, যিটো বৰ্তমানৰ গোচৰৰ সৈতে মিল আছে। গতিকে আমাৰ মতামত যে এই আপীলসমূহ মঞ্জুৰ কৰিব লাগে আৰু গোচৰৰ গুণাগুণৰ ভিত্তিত সিদ্ধান্ত ল'বলৈ গোচৰটো উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা উচিত। এই আপীলসমূহৰ খৰচ গোচৰৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিব।

আপীলৰ মঞ্জুৰ কৰা হ'ল।